**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 17-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি কানাডাৰ কানানাস্কিছত জি-ছেভেন শীৰ্ষ সন্মিলনত অংশ ল'ব।

২। যোৱা নিশালৈকে আহমেদাবাদৰ বিমান দুৰ্ঘটনাত নিহত ১২৫ লোকক ডি এন এ পৰীক্ষাৰ জৰিয়তে চিনাক্ত কৰা হৈছে।

৩। চাৰধাম যাত্ৰাৰ বাবে নিয়োগ কৰা হেলিকপ্টাৰসমূহত যাত্ৰীসকলৰ সুৰক্ষা সন্দৰ্ভত স্থিতি স্পষ্ট কৰিবলৈ উত্তৰাখণ্ড উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে।

৪। তেহৰাণে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক যুদ্ধ বিৰতিৰ বাবে ইজৰাইলৰ ওপৰত হেঁচা প্ৰয়োগ কৰিবলৈ আহ্বান জনাইছে। ***আৰু***

৫। মহিলাৰ এফ আই এইচ হকী প্ৰ-লীগ প্ৰতিযোগিতাত ভাৰত আজি আৰু কাইলৈ আৰ্জেণ্টিনাৰ মুখামুখি হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি কানাডাৰ কানানাস্কিছত জি-ছেভেন শীৰ্ষ সন্মিলনত অংশ ল'ব। এয়া হ'ব প্ৰধানমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰা ক্ৰমাগত ষষ্ঠখন জি-ছেভেন শীৰ্ষ সন্মিলন। কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিৰ আমন্ত্ৰণমৰ্মে দেশখনলৈ যোৱা শ্ৰীমোদীয়ে সন্মিলনৰ আপাহতে ভালেকেইখন দ্বিপাক্ষিক বৈঠকতো ভাগ ল'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ নেতা, অন্যান্য আমন্ত্ৰিত দেশ আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ মুৰব্বীসকলৰ সৈতে গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত মত বিনিময় কৰিব। ইয়াৰ ভিতৰত শক্তি সুৰক্ষা, প্ৰযুক্তি, উদ্ভাৱন, কোৱাণ্টাম সম্পৰ্কীয় আলোচনা আদিয়ে আগস্থান লাভ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

যোৱা নিশালৈকে আহমেদাবাদৰ বিমান দুৰ্ঘটনাত নিহত ১২৫ গৰাকী লোকক ডি এন এ পৰীক্ষাৰ জৰিয়তে চিনাক্ত কৰা হৈছে। ইয়াৰে ৮৩টা মৃতদেহ ইতিমধ্যে পৰিয়ালক অৰ্পণ কৰা হৈছে। গুজৰাটৰ স্বাস্থ্যমন্ত্ৰী ৰুশিকেশ পেটেলে সামাজিক মাধ্যমৰ এটা পোষ্টত এই বিষয়ে প্ৰকাশ কৰি কয় যে যথাযথ প্ৰক্ৰিয়া আৰু চিনাক্তকৰণৰ প্ৰয়োজনীয় বিধি সম্পূৰ্ণ হোৱাৰ কিছু সময়ৰ পাছতে বাকী থকা মৃতদেহসমূহো পৰিয়াললৈ হস্তান্তৰ কৰা হ'ব।

ৰাজ্য চৰকাৰে কেন্দ্ৰীয় সংস্থাসমূহৰ সহযোগত ফৰেনছিক আৰু আইনী আনুষ্ঠানিকতা ক্ষিপ্ৰতাৰে সম্পন্ন কৰাটো নিশ্চিত কৰা বুলি মন্ত্ৰীগৰকীয়ে জানিবলৈ দিয়ে। ইপিনে, বিমান দুৰ্ঘটনাটোত নিহত প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ অন্ত্যেষ্টিক্ৰিয়া কালি সন্ধিয়া ৰাজকোটত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়।

০০০০০

চাৰধাম যাত্ৰাৰ বাবে নিয়োগ কৰা হেলিকপ্টাৰসমূহত যাত্ৰীসকলৰ সুৰক্ষা সন্দৰ্ভত স্থিতি স্পষ্ট কৰিবলৈ উত্তৰাখণ্ড উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। যোৱা দেওবাৰে কেদাৰনাথৰ ওচৰত হেলিকপ্টাৰ দুৰ্ঘটনাত ৭ গৰাকী লোকে প্ৰাণ হেৰুওৱা ঘটনা সন্দৰ্ভত মত প্ৰকাশ কৰি মুখ্য ন্যায়াধীশ জি নৰেন্দৰ আৰু ন্যায়াধীশ আলোক মেহৰাৰ খণ্ড বিচাৰপীঠে এই ধৰ্মীয় যাত্ৰাত বৃদ্ধি পোৱা হেলিকপ্টাৰ দুৰ্ঘটনা সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে। তেওঁলোকে কয়, যে যোৱা ৮ মে'তো উত্তৰকাশী জিলাত সংঘটিত এটা হেলিকপ্টাৰ দুৰ্ঘটনাত ৭ গৰাকী লোকে প্ৰাণ হেৰুৱাইছিল। বিগত দুমাহত এই পথত সংঘটিত ৫টা হেলিকপ্টাৰ দুৰ্ঘটনাত ১৩ গৰাকী লোকে প্ৰাণ হেৰুওৱা সন্দৰ্ভত ন্যায়ালয়ে চৰকাৰৰ স্থিতি স্পষ্ট কৰিবলৈ আৰু প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০

চৰকাৰে দেশৰ বিভিন্ন অঞ্চলত দুহেজাৰটা মটৰ চালনা প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কয়, যে এই প্ৰশিক্ষণ কেন্দ্ৰসমূহ দেশৰ পিছপৰা আৰু জনজাতীয় অঞ্চলসমূহত মুকলি কৰা হ'ব। এই অঞ্চলসমূহৰ যুৱক-যুৱতীসকলে ইয়াৰ ফলত নিয়োগৰ সুবিধাও লাভ কৰিব বুলি তেঁও প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে দেশত সম্প্ৰতি প্ৰায় ২২ লাখ গাড়ী চালকৰ অভাৱ আছে আৰু এই কেন্দ্ৰসমূহে প্ৰশিক্ষণপ্ৰাপ্ত গাড়ীচালকৰ অভাৱ দূৰ কৰাত সহায় কৰিব। দেশত পথ দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস কৰাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানত শ্ৰীগাডকাৰীয়ে জনসাধাৰণক ট্ৰেফিক নিয়মসমূহ মানি চলিবলৈও আহ্বান জনায়।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা দুইৰ পৰা তিনিদিনলৈ উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ লগতে চত্তিশগড়, কৰ্ণাটকৰ উপকূলীয় অঞ্চল, পশ্চিমবংগ, গুজৰাট, গোৱা, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ আৰু ওড়িশাত মুষলধাৰ বৰষুণৰ আগলি বতৰা জাৰি কৰিছে। বিভাগে আজি সৌৰাষ্ট্ৰ আৰু কচ্ছৰ ঠাই বিশেষে ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। ইপিনে বিহাৰ, ঝাৰখণ্ড, মধ্য প্ৰদেশ আৰু ৰাজস্থানৰ কিছু অঞ্চলত আজি ধুমুহা-বৰষুণ হ'ব পাৰে বুলি বিভাগে প্ৰকাশ কৰিছে। বিভাগে অহা ২০ জুন পৰ্যন্ত দিল্লীকে ধৰি ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ অঞ্চল বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণৰ উপৰি বিজুলী-ঢেৰেকনিৰে ধুমুহাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০

ইৰাণৰ চৰকাৰী সম্প্ৰচাৰ কেন্দ্ৰ ইছলামিক ৰিপ্লাবিক অৱ ইৰাণ ব্ৰডকাষ্টিং চমুকৈ আই আৰ আই বিৰ ওপৰত ইজৰাইলে আক্ৰমণ চলাই ইয়াৰ আন্তঃগাঁথনি ধ্বংস কৰে। ইজৰাইলৰ সামৰিক বিষয়াই জনোৱা অনুসৰি ইৰাণৰ সকলো ধৰণৰ আন্তঃগাঁথনি ধ্বংস কৰি দিয়াৰ অংশ হিচাপে এই সম্প্ৰচাৰ কেন্দ্ৰটোতো আক্ৰমণ চলোৱা হৈছে। উল্লেখযোগ্য যে ইৰাণ আৰু ইজৰাইলৰ মাজত সম্প্ৰতি চলি থকা যুদ্ধখনত দুয়োখন দেশে পৰস্পৰৰ সামৰিক ঘাটি আৰু আন্তঃগাঁথনি ধ্বংস কৰি আহিছে।

ইয়াৰ পূৰ্বে কালি ইৰাণে ক্ষেপণাস্ত্ৰৰ জৰিয়তে ইজৰাইলৰ তেল আভিভ আৰু বন্দৰ নগৰী হাইফাত আক্ৰমণ কৰি বহুসংখ্যক বাসগৃহ ধ্বংস কৰাৰ লগতে অসামৰিক লোকক মৃত্যুৰ মুখলৈ ঠেলি দিছিল। ইয়াৰ প্ৰত্যুত্তৰত ইজৰাইলে তেহৰাণত থকা ইৰাণৰ আই আৰ আই বিকে ধৰি চৰকাৰী প্ৰচাৰ মাধ্যমৰ ভৱনত

আক্ৰমণ চলায়। কালি পোনপটীয়া সম্প্ৰচাৰ চলি থকাৰ সময়তে ইজৰাইলে ইৰাণৰ আই আৰ আই বি প্ৰচাৰ মাধ্যমৰ ভৱনটোৰ আন্তঃগাঁথনি ধ্বংস কৰে। ইৰাণ আৰু ইজৰাইলৰ মাজত বৰ্ধিত উত্তেজনাৰ পৰিপ্ৰেক্ষিতত জি-ছেভেন সন্মিলনৰ শীৰ্ষ নেতাসকলে উদ্বেগ প্ৰকাশ কৰাৰ লগতে এই সংঘাত নিৰাময়ৰ বাবে প্ৰচেষ্টা চলাই আছে।

ইপিনে তেহৰাণে কাটাৰ, ছৌদি আৰব আৰু ওমানক মধ্যস্থতাকাৰী হিচাপে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক যুদ্ধ বিৰতিৰ বাবে ইজৰাইলৰ ওপৰত হেঁচা প্ৰয়োগ কৰিবলৈ আহ্বান জনাইছে। বিগত ৪ দিনত দুয়োখন দেশে আনখন দেশৰ সামৰিক ঘাটি, পাৰমাণৱিক কেন্দ্ৰ আৰু অসামৰিক আন্তঃগাঁথনিৰ বিস্তৰ ক্ষতি কৰি আহিছে।

০০০০০

মহিলাৰ এফ আই এইচ হকী প্ৰ-লীগ প্ৰতিযোগিতাত ভাৰত আজি আৰু কাইলৈ লণ্ডনৰ লি ভেলী হকী আৰু টেনিছ কেন্দ্ৰত আৰ্জেণ্টিনাৰ মুখামুখি হ'ব। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছত ভাৰতীয় দলটোৱে বিশ্বক্ৰমৰ দ্বিতীয় স্থানৰ আৰ্জেণ্টিনাৰ বিৰুদ্ধে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনৰ প্ৰয়াস চলাব। প্ৰতিযোগিতাত এইপৰ্যন্ত ভাৰতে মুঠ ৯ পইণ্ট অৰ্জন কৰি পইণ্ট তালিকাৰ সপ্তম স্থানত আছে। ইপিনে আৰ্জেণ্টিনা সম্প্ৰতি পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বিচিচিআইয়ে সমাগত ইংলেণ্ড ভ্ৰমণলৈ যাবলগীয়া ভাৰতৰ ১৯ বছৰ অনূৰ্ধ দলটোৰ সামান্য সালসলনি কৰিছে। কনিষ্ঠ ক্ৰিকেট কমিটীয়ে দলটোত আঘাতৰ পৰিপ্ৰেক্ষিতত আদিত্য ৰানা আৰু খিলন পেটেলৰ ঠাইত ক্ৰমে ডি দিপেশ আৰু নমনক অন্তৰ্ভুক্ত কৰিছে।

আয়ুষ মাহাত্ৰে নেতৃত্বাধীন ভাৰতীয় দলটোৱে অহা ২৭ জুনত ইংলেণ্ডৰ বিৰুদ্ধে শৃংখলাৰ প্ৰথমখন এদিনীয়া খেলত অৱতীৰ্ণ হ'ব। ভ্ৰমণতকালত ভাৰতে মুঠ ৫ খন এদিনীয়া আৰু দুখন টেষ্ট খেলত অংশ ল'ব।

০০০০০

ভাৰতৰ ২৩ বছৰ অনূৰ্ধ্বৰ পুৰুষৰ ফুটবল দলৰ মুখ্য প্ৰশিক্ষক নৌছাদ মুছাই টাজিকিস্তান আৰু কিৰ্গিস্তানৰ বিৰুদ্ধে প্ৰীতি খেলত ভাগ ল'বলগীয়া ২৩ জনীয়া দলটোৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। ভাৰত কাইলৈ ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত টাজিকিস্তানৰ ৰাজধানী ডুছানবেৰ সমীপৱৰ্তী হিছ'ৰৰ ছেন্ট্ৰেল ষ্টেডিয়ামত দেশখনৰ দলটোৰ মুখামুখি হ'ব। ইয়াৰ পাছত অহা ২১ জুনত একেখন ঠাইতে আৰু একে সময়তে ভাৰত কিৰ্গিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

এই দুখন খেলৰ বাবে ভাৰতীয় দলটো কালি বিয়লি টাজিকিস্তানলৈ ৰাওনা হয়। এই ভ্ৰমণৰ বাবে দলটোৱে যোৱা পহিলা জুনৰ পৰা কলকাতাৰ এ আই এফ এফ ৰাষ্ট্ৰীয় উৎকৰ্ষতা কেন্দ্ৰত প্ৰশিক্ষণ গ্ৰহণ আৰু অনুশীলন কৰি আছিল। ছেপ্তেম্বৰত হ'বলগীয়া ২০২৬ বৰ্ষৰ ২৩ বছৰ অনূৰ্ধৰ এ এফ চি এছিয়ান কাপ প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণয়কাৰী খেলৰ প্ৰস্তুতিৰ অংশ হিচাপে ভাৰতে এই খেল দুখনত অংশগ্ৰহণ কৰিব।

০০০০০

২০২৬ চনত অষ্ট্ৰেলিয়াত হ'বলগীয়া মহিলাৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণয়কাৰী খেলত ভাগ লোৱাৰ বাবে থাইলেণ্ডলৈ যাবলগীয়া ভাৰতৰ ২৪ জনীয়া দলৰ সদস্যসকলৰ নাম ঘোষণা কৰা হৈছে। ভাৰতীয় জ্যেষ্ঠ মহিলা দলটোৰ মুখ্য প্ৰশিক্ষক ক্ৰিছপিন চেত্ৰীয়ে সদস্যসকলৰ নাম

প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰথমখন খেলৰ পূৰ্বে ২৩ গৰাকী খেলুৱৈৰ চূড়ান্ত তালিকা মুকলি কৰা হ'ব। প্ৰতিযোগিতাৰ বি-গ্ৰুপত স্থান লাভ কৰা ভাৰতে ২৩ জুনত মংগোলীয়া, ২৯ জুনত টিম'ৰ লেষ্টে, ২ জুলাইত ইৰাক আৰু ৫ জুলাইত আয়োজক থাইলেণ্ডৰ বিৰুদ্ধে খেলিব। প্ৰতিযোগিতাৰ খেলসমূহ থাই ওমেনছ ফুটবল ফেচবুক পেজ আৰু চাংছুৰেক ইউটিউব চেনেলযোগে পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব।

প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ বিজয়ীসকলে অহা বছৰৰ মাৰ্চত অষ্ট্ৰেলিয়াত হ'বলগীয়া মূল প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰিব। ২০২৭ চনত ব্ৰাজিলত হ'বলগীয়া মহিলাৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ বাবেও এছিয়ান কাপক যোগ্যতা অৰ্জনকাৰী প্ৰতিযোগিতা হিচাপে চিহ্নিত কৰা হৈছে।

ooooo

প্ৰথমবাৰৰ বাবে আয়োজন কৰা মহিলাৰ হকী ইণ্ডিয়া মাষ্টাৰ্ছ কাপ প্ৰতিযোগিতা কাইলৈ তামিলনাডুৰ চেন্নাইত আৰম্ভ হ'ব। কাইলৈ পুৱা ৬ বজাত হিমাচল আৰু মহাৰাষ্ট্ৰৰ মাজত প্ৰতিযোগিতাৰ উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে পুৱা চাৰে ৭ বজাত কৰ্ণাটক কেৰালাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ১০ দিনীয়া প্ৰতিযোগিতাখনৰ ফাইনেল খেলখন অহা ২৭ জুনত খেলোৱা হ'ব। প্ৰতিযোগিতাত ভাগ লোৱা মুঠ ৮টা দলৰ ভিতৰত হিমাচল, কৰ্ণাটক, মহাৰাষ্ট্ৰ আৰু কেৰালাক গ্ৰুপ-এত আৰু ওড়িশা, হাৰিয়ানা, পঞ্জাব আৰু তামিলনাডুক গ্ৰুপ-বিত স্থান দিয়া হৈছে।

এই আগশাৰীৰ প্ৰতিযোগিতাৰ উদ্বোধনী সংস্কৰণে ভাৰতীয় হকীৰ ইতিহাসত নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

ooooo

সমাপ্ত